P6K9U1

# পাঠ - ৫ যোগ (যোগফল ৯৯৯ লৈকে)

গুৱাহাটী
২৭-০৩-২০১৯

পুজনীয় দেউতা,

সেৱা ল'ব। আমি আটাইয়ে ভালে আছোঁ। আপুনি ভালে আছেনে? মই আৰু ভাইটিয়ে ভালদৰে পঢ়া-শুনা কৰি আছোঁ। বিহুত আপোনাৰ লগত আমি ককাদেউতা আৰু আইতাৰ ঘৰলৈ যাম বুলি আশা কৰি আছোঁ। মায়ে সিদিনা মোক লগত লৈ বজাৰলৈ গৈছিল। বিহুত উপহাৰ দিবলৈ মায়ে ককাৰ বাবে এখন ধুতি, আইতাৰ বাবে এখন চাদৰ, পেহীৰ বাবে এটা ঘড়ী আৰু খুড়াৰ বাবে এটা পেণ্ট কিনিছে।

আজিলৈ ইমানতে সামৰিলোঁ। বিহুত আপুনি আহিব বুলি আশাৰে বাট চাই ৰ'লোঁ।

ইতি
আপোনাৰ মৰমৰ
সোণালী

সোণালীৰ দেউতাকে সেনা বাহিনীত চাকৰি কৰে। দেউতাকে সোণালীৰ চিঠিখন পালে। চিঠিখন পঢ়ি তেখেত বৰ আনন্দিত হ'ল। ব'হাগ বিহুৰ বাবে তেখেতে ছুটী পোৱাত ঘৰলৈ আহিবলৈ যো-জা চলালে।

**সোণালীৰ মাকে বিহুত উপহাৰ দিবলৈ বজাৰৰ পৰা কি কি বস্তু কিমান দামত কিনিলে চাওঁ আহা**

ককাৰ বাবে এখন ধুতি = ২০০ টকা

আইতাৰ বাবে এখন চাদৰ = ১৫০ টকা


পেহীৰ বাবে এটা ঘড়ী = ৪২৫ টকা

খুড়াৰ বাবে এটা পেণ্ট = ২০৫ টকা




এতিয়া সোণালীৰ মাকৰ বজাৰৰ খৰচবোৰ চাওঁ আহা

চাদৰ আৰু ধুতিৰ বাবদ মুঠ খৰচ হ'ল



| সামগ্ৰী | শ | দ | এ | |
|---|---|---|---|---|
| ধুতিৰ দাম | ২ | ০ | ০ | টকা |
| চাদৰৰ দাম | ১ | ৫ | ০ | টকা |
| মুঠ খৰচ | ৩ | ৫ | ০ | টকা |



কিদৰে কৰিবা চাওঁ আহা

প্ৰথমতে এককৰ ঘৰৰ অংকবোৰৰ যোগফল = ০ একক + ০ একক = ০ একক = ০

দ্বিতীয়তে দহকৰ ঘৰৰ অংকবোৰৰ যোগফল = ০ দহক + ৫ দহক = ৫ দহক = ৫০

তৃতীয়তে শতকৰ ঘৰৰ অংকবোৰৰ যোগফল = ২ শতক + ১ শতক = ৩ শতক = ৩০০

অৰ্থাৎ, ৩০০ + ৫০ + ০ = ৩৫০

সেয়ে ২০০ টকা + ১৫০ টকা = ৩৫০ টকা

এতেকে ধুতি আৰু চাদৰৰ বাবে মুঠ খৰচ হ'ল ৩৫০ টকা

একেদৰে চাদৰ আৰু ঘড়ী মিলি কিমান টকা খৰচ হ'ল নিজে উলিওৱা



| সামগ্ৰী | শ | দ | এ | |
|---|---|---|---|---|
| চাদৰৰ দাম | | | | টকা |
| ঘড়ীৰ দাম | | | | টকা |
| মুঠ খৰচ | | | | টকা |



এতিয়া সোণালীৰ মাকে ঘড়ী আৰু পেণ্টৰ বাবে কিমান টকা খৰচ কৰিলে চাওঁ আহা

| সামগ্ৰী | শ | দ | এ | |
|---|---|---|---|---|
| ঘড়ীৰ দাম | ৪ | (১) ২ | ৫ | টকা |
| পেণ্টৰ দাম | ২ | ০ | ৫ | টকা |
| মুঠ খৰচ | ৬ | ৩ | ০ | টকা |


**প্ৰথম কাম ঃ** এককৰ ঘৰৰ অংকবোৰৰ যোগফল
৫ একক + ৫ একক = ১০ একক = ১ দহক
এক দহ দহকৰ ঘৰলৈ যাব আৰু ০ এক এককৰ ঘৰত বহিব।

**দ্বিতীয় কাম ঃ** দহকৰ ঘৰৰ অংকবোৰৰ যোগফল
১ দহক + ২ দহক + ০ দহক = ৩ দহক
সেয়ে ৩ দহকৰ ঘৰত বহিব।

**তৃতীয় কাম ঃ** এতিয়া শতকৰ ঘৰৰ অংকবোৰৰ যোগফল হ'ব-
৪ শতক + ২ শতক = ৬ শতক আৰু ই শতকৰ ঘৰত বহিব।

চাদৰ, পেণ্ট, ধুতি আৰু ঘড়ীৰ বাবে মুঠ কিমান টকা খৰচ হ'ল নিজে উলিওৱা।

| সামগ্ৰী | শ | দ | এ | |
|---|---|---|---|---|
| চাদৰ | ১ | ৫ | ০ | টকা |
| পেণ্ট | ২ | ০ | ৫ | টকা |
| ধুতি | ২ | ০ | ০ | টকা |
| ঘড়ী | ৪ | ২ | ৫ | টকা |
| মুঠ | | | | টকা |



সেয়ে মুঠ খৰচ ঃ ৪২৫ টকা + ২০৫ টকা = ৬৩০ টকা

সোণালীৰ মাকে বজাৰৰ পৰা ঘূৰি আহোঁতে দোকানৰ পৰা ১৬৮ টকাৰ ৰসগোল্লা আৰু ১২০ টকাৰ পেৰা কিনিলে। মিঠাই কিনোতে মাকৰ কিমান টকা খৰচ হ'ল ওপৰত দেখুওৱাৰ দৰে উলিওৱা।

| সামগ্ৰী | শ | দ | এ | |
|---|---|---|---|---|
| ৰসগোল্লা | | | | টকা |
| পেৰা | | | | টকা |
| মুঠ | | | | টকা |



## নিজে কৰা

| | | |
|---|---|---|
| (ক) ১২০ +৩০ | (খ) ১১৫ +৭৪ | (গ) ১৭১ +২৬ |
| (ঘ) ১৫৫ +৪৪ | (ঙ) ১৩৫ +২০ | (চ) ২০১ +৭৩ |
| (ছ) ৩১৫ +২৩ | (জ) ৩১৫ +২৭২ | (ঝ) ৪১২ +২৩২ |
| (ঞ) ৫২৭ +৩৭১ | (ট) ২৩০ + ১৬২ | (ঠ) ৩১২ + ১৭৫ |
| (ড) ৫৩৮ + ২৪১ | (ঢ) ৪২৬ + ৩১২ | (ণ) ৪৩৪ + ১৫৩ |

## মুঠা আৰু কাঠীৰ সহায়ত যোগ কৰোঁ আহা


১১০ + ৭৫ = ?


| | | | |
|---|---|---|---|
| ১১০ = | ১ শ | ১ দহ | ০ এক |
| + ৭৫ = | ০ শ | ৭ দহ | ৫ এক |
| ১৮৫ = | ১ শ | ৮ দহ | ৫ এক |
| | ১০০ | ৮০ | ৫ |

১০০ + ৮০+ ৫

= ১৮৫

= এশ পঁচাশী






মুঠা আৰু কাঠীৰ সহায়ত যোগবোৰ নিজে কৰা


১২৫ + ৪২ = ?

| | | | |
|---|---|---|---|
| ১ ২ ৫ = | ১ শ | ২ দহ | ৫ এক |
| + ৪ ২ = | | ৪ দহ | ২ এক |
| | | | |
| | | | |




২৫৬ + ২২৩ = ?

| | | | |
|---|---|---|---|
| | | | |
| | | | |
| | | | |




২৩০ + ১৬২ = ?

| | | | |
|---|---|---|---|
| | | | |
| | | | |
| | | | |




মুঠা আৰু কাঠীৰ সহায়ত যোগবোৰ নিজে কৰা


৩১২ + ২০৫ = ?



২৩৮ + ২৪১ = ?




৩১২ + ২০৩ = ?



মুঠা আৰু কাঠীৰ সহায়ত উকলি যোৱা সংখ্যা যোগ কৰোঁ আহা


৫৩ + ২২৯ = ?

| শতক | দহক | একক |
|---|---|---|
| | (১) | |
| | ৫ | ৩ |
| + ২ | ২ | ৯ |
| ২ | ৮ | (১)২ |



১২৯ + ১৭২ = ?


| শতক | দহক | একক |
|---|---|---|
| (১) | (১) | |
| ১ | ২ | ৯ |
| +১ | ৭ | ২ |
| ৩ | (১)০ | (১)১ |



নিজে কৰা (মুঠা আৰু কাঠীৰ সহায়ত উকলা যোগ )

১৫৭ + ৩৫ = ?


| শতক | দহক | একক |
|---|---|---|
| ১ | ৫ | ৭ |
| + | ৩ | ৫ |
| | | |



নিজে কৰা (মুঠা আৰু কাঠীৰ সহায়ত উকলা যোগ )


৭৯ + ১০২ = ?

| শতক | দহক | একক |
|---|---|---|
| | ৭ | ৯ |
| + ১ | ০ | ২ |
| | | |




১৪৫ + ৫৫ = ?

| শতক | দহক | একক |
|---|---|---|
| ১ | ৪ | ৫ |
| + | ৫ | ৫ |
| | | |



১৬৭ + ২২৬ = ?

| শতক | দহক | একক |
|---|---|---|
| ১ | ৬ | ৭ |
| + ২ | ২ | ৬ |
| | | |



যোগ কৰা

(ক) ১৪৮ + ১৪৪ = ____

(খ) ২৬৮ + ১২৬ = ____

(গ) ২৩৬ + ১৪৮ = ____

(ঘ) ২৭৫ + ১১৯ = ____

(ঙ) ৩১২ + ২৭৮ = ____

(চ) ৩৪১ + ২৩৫ = ____

(ছ) ৩৫৮ + ২২৭ = ____

(জ) ৩৩২ + ২৪৮ = ____

**এখন জিলাত বাৰ্ষিক খেল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ দৌৰৰ বাবে ১২৪জন, শ্বট-পুটৰ বাবে ১১৭জন, তিনিঠেঙীয়া দৌৰৰ বাবে ১৬৬জন, ৰিলে দৌৰৰ বাবে ২৫৪জন ছাত্ৰ-ছাত্ৰী আহিছিল।**

**এতিয়া যোগ কৰি চাওঁ আহা**

(ক) দৌৰ আৰু শ্বট-পুটৰ বাবে কিমানজন ছাত্ৰ-ছাত্ৰী আহিছিল?



(খ) তিনিঠেঙীয়া দৌৰ আৰু ৰিলে দৌৰৰ বাবে কিমানজন ছাত্ৰ-ছাত্ৰী আহিছিল?



(গ) দৌৰ আৰু তিনিঠেঙীয়া দৌৰৰ বাবে কিমানজন ছাত্ৰ-ছাত্ৰী আহিছিল?



**সোণালীৰ দেউতাকে বিহুৰ বন্ধত ঘৰলৈ যাবলৈ জোনাইৰ পৰা তেজপুৰলৈ বাছেৰে ৩৫৫ কিলোমিটাৰ আহিল। ৰাতিটো তেজপুৰত থাকিল। পিছদিনা তেজপুৰৰ পৰা গুৱাহাটীলৈ ১৭৪ কিলোমিটাৰ আহিল। সোণালীৰ দেউতাকে মুঠতে কিমান কিলোমিটাৰ বাট বাছেৰে আহিল? চাওঁ আহা**



জোনাইৰ পৰা তেজপুৰলৈ = ৩৫৫ কিলোমিটাৰ

তেজপুৰৰ পৰা গুৱাহাটীলৈ = ১৭৪ কিলোমিটাৰ

সোণালীৰ দেউতাক মুঠতে ৩৫৫ কিলোমিটাৰ +১৭৪ কিলোমিটাৰ

= ৫২৯ কিলোমিটাৰ বাট আহিল।

**কেনেকৈ পালোঁ চাওঁ আহা**

| | শ | দ | এ | |
|---|---|---|---|---|
| জোনাইৰ পৰা তেজপুৰলৈ | ①<br>৩ | ৫ | ৫ | কিলোমিটাৰ |
| তেজপুৰৰ পৰা গুৱাহাটীলৈ + | ১ | ৭ | ৪ | কিলোমিটাৰ |
| মুঠ দূৰত্ব | ৫ | ①২ | ৯ | কিলোমিটাৰ |

**প্ৰথম কাম ঃ এককৰ ঘৰৰ অংকবোৰৰ যোগফল**

৫ একক + ৪ একক = ৯ একক

**দ্বিতীয় কাম ঃ দহকৰ ঘৰৰ অংকবোৰৰ যোগফল**

৫ দহক + ৭ দহক =১২ দহক = ১ শতক + ২দহক। ১ শতক, শতকৰ ঘৰলৈ যাব। (দেখুওৱাৰ দৰে)। ২দহক, দহকৰ ঘৰত বহিব।

**তৃতীয় কাম ঃ এতিয়া শতকৰ ঘৰৰ অংকবোৰৰ যোগফল**

১ শতক + ৩ শতক+ ১শতক = ৫ শতক

**সমস্যা সমাধান কৰোঁ আহা**

- এখন বাগিচাত ১২৩ পাহ ৰঙা গোলাপ ফুল আৰু ১৯৫ পাহ হালধীয়া গোলাপ ফুল ফুলি আছে। বাগিচাখনত মুঠতে কিমান গোলাপ ফুল ফুলি আছে?



- এখন দৌৰ প্ৰতিযোগিতাত ১৭১ জন ল'ৰা আৰু ১৫৯ জনী ছোৱালীয়ে অংশগ্ৰহণ কৰিছিল। কিমানজন ল'ৰা-ছোৱালীয়ে মুঠতে দৌৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল?



- ৰফিদাৰ গাঁৱত ২৯০ জোপা তামোল গছ আৰু ১৪৬ জোপা নাৰিকল গছ আছে। গাঁওখনত মুঠতে তামোল আৰু নাৰিকলৰ গছ কিমান জোপা আছে?



- মোহনে সোমবাৰে ২৯৩টা আৰু মঙলবাৰে ৩১৮ টা কণী বেচিছিল? এই দুদিনত মোহনে মুঠতে কিমানটা কণী বেচিছিল?



- ৰংহান আৰু কাকলিয়ে বজাৰলৈ নিবলৈ আম বুটলিছিল। ৰংহানে ১৫৪টা আৰু কাকলিয়ে ১২৮টা আম বুটলি টুকুৰীত ভৰালে। সিহঁত দুয়োৰে মিলি মুঠতে কিমান আম টুকুৰীত ভৰালে?



- ৰহিলাই ৩৬০ টা কাৰৈ মাছ আৰু কণপাইয়ে ২৪০টা পুঠি মাছ হাটত বেচিছিল। দুয়োৰে মিলি মুঠতে কিমান মাছ বেচিছিল?



**যোগ কৰা**

(ক) ১৭৩ + ১৫২ = ______

(খ) ২৪৪ + ২৭৩ = ______

(গ) ৩৫৬ + ২৬২ = ______

(ঘ) ৩৬৪ + ৩৫২ = ______

(ঙ) ৪৬২ + ২৭৫ = ______

(চ) ৫৯৪ + ৩২৪ = ______

(ছ) ৪৩৭ + ১৯০ = ______

(জ) ৬৪২ + ২৮৫ = ______

(ঝ) ১৫৩ + ১২৯ = ______


(ঞ) ২৩৮ + ১২৭ = ______

(ট) ৩১৭ + ২৩৯ = ______

(ঠ) ৪৫৭ + ২৪৬ = ______

## সমস্যা সমাধান কৰা

- নীলমৰ ঘৰত বিহুৰ উৰুকাত দেউতাকে ৭৩৫ টকাৰ বৰালী মাছ আৰু ২৬৮টকাৰ শ'ল মাছ আনিলে। দেউতাকে মুঠ কিমান টকাৰ মাছ আনিলে?



- এজন বেপাৰীয়ে বজাৰত ৩৪৭টা বন্ধাকবি আৰু ২৫৮টা ফুলকবি বেচিবলৈ নিলে। বেপাৰীজনে মুঠ কিমানটা কবি বেচিবলৈ নিছিল?



- ৰামৰ মাকে মাঘ বিহুত ১৬৮খন তিল পিঠা আৰু ২৭৫খন নাৰিকল পিঠা বনালে। মাকে মুঠতে কিমানখন পিঠা বনালে?



- এটা পুথিভঁৰালত ২৬৪খন সাধু কথাৰ কিতাপ আৰু ১৭৮খন ছবিৰ কিতাপ আছে। পুথিভঁৰালত মুঠতে কিমান কিতাপ আছে?



গীতিকাই আজাদৰ পৰা ২৫ টকাৰ গাজৰ আৰু ২২ টকাৰ বেঙেনা কিনিলে। কিমান টকা দিব লাগিব বুলি গীতিকাই সোধাত আজাদে ক'লে

২৫ হ'ল ২০ আৰু ৫ মিলি

২২ হ'ল ২০ আৰু ২ মিলি

গতিকে ২৫ আৰু ২২ লগলাগি ৪৭ টকা হ'ল




**গীতিকাই কেনেকৈ কৰিলে চাওঁ আহা**

২৫ + ৪৪

২০ + ৫ + ৪০ + ৪

২০ + ৪০ + ৫ + ৪

৬০ + ৯

৬৯

তোমালোকে তলত দিয়াৰ ধৰণেও যোগফল উলিয়াব পাৰা, যেনে

৩৪ + ৫২ = ৩০ + ৪ + ৫০ + ২

= ৮০ + ৪ + ২

= ৮০ + ৬

= ৮৬

## নিজে কৰি চোৱা

(ক) ৭১ + ১৫ = ৭০ + ১ + ১০ + ৫

= □ + □ + □ + □

= □ + □


= □

(খ) ৯৮ + ৪১ = ৯০ + ৮ + ৪০ + ১

= □ + □ + □ + □

= □ + □

= □







৫৮ + ২১ = ৫৮ + ২০ + ১

= ৭৮ + ১

= ৭৯

৪৪ + ৩২ = □ + □ + □

= □ + □

= □

৫৫ + ১৫ = □ + □ + □

= □ + □

= □

৬৩ + ২২ = □ + □ + □

= □ + □

= □

**অণুৱে এটা সমস্যা সৃষ্টি কৰিছে**

এখন বিদ্যালয়ৰ বাগিচাত ৩০টা আম গছৰ পুলি আৰু ২০টা লিচু গছৰ পুলি ৰুলে।

সমস্যাটো কবীৰে তলত দিয়া ধৰণে লিখিলে

| | |
|---|---|
| কবীৰে লিখিলে | বিদ্যালয়ৰ বাগিচাত আম গছৰ পুলি ৩০টা আৰু লিচু গছৰ পুলি ২০টা ৰুলে। |
| | মুঠতে বিদ্যালয়ত কিমানটা পুলি ৰুলে ? |



তলত দিয়া কথাখিনি পঢ়ি তুমি নিজে সমস্যা সৃষ্টি কৰা

অমলৰ ঘৰৰ ফলৰ বাগিচাৰ পৰা ভাটৌৱে ১৪টা কৰ্দৈ আৰু ১২টা মধুৰিআম খালে।

| |
|---|
| |
| |



***শিক্ষকলৈ নিৰ্দেশনা ঃ** ছাত্ৰ-ছাত্ৰীক এনেধৰণে সমস্যা সাজিবলৈ দিব।*